**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 11-08-2025**
**Time :** 1205 Hrs

***Assamese Midday Bulletin***

**----------------------------**

০০০০০০

স্বাধীনতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। স্বাধীনতা দিৱসৰ সময়ছোৱাত যাতে উগ্ৰপন্থী সংগঠনসমূহে কোনো ধৰণৰ কূটাঘাটমূল কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে উজনি অসমৰ লগতে গুৱাহাটী মহানগৰী আৰু নামনি অসমৰ বিভিন্ন স্থানত আৰক্ষীয়ে কঠোৰ নিৰাপত্তা ব্যৱস্থা গঢ়ি তুলিছে। বিশেষকৈ পাইপলাইন, ৰে'ল পথ, ৰে'ল ষ্টেচন, বাছ আস্থান, দলং আদিৰ দৰে স্পৰ্শকাতৰ স্থানসমূহত নিৰাপত্তাৰক্ষীয়ে কঠোৰ দৃষ্টি ৰাখিছে। একেদৰে অসম সংলগ্ন আন্তঃৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক সীমান্ততো কটকটীয়া নিৰাপত্তা গঢ়ি তোলা হৈছে। উজনি অসমৰ পাঁচখন জিলা ডিব্ৰুগড়, যোৰহাট, তিনিচুকীয়া, শিৱসাগৰ আৰু চৰাইদেউক সামৰি ইতিমধ্যে আৰক্ষীৰ উচ্চ পদস্থ বিষয়াই বৈঠক অনুষ্ঠিত কৰাৰ লগতে এই জিলাকেইখনত যাতে উগ্ৰপন্থীয়ে কোনোধৰণৰ কুটাঘাট সংঘটিত কৰিব নোৱাৰে তাৰ প্ৰতি বিশেষ নজৰ ৰাখিছে। উজনি-নামনিৰ পথত বিভিন্ন বাহনত আৰক্ষীয়ে তন্ন তন্নকৈ তালাচী অব্যাহত ৰাখিছে। ৰে'ল কৰ্তৃপক্ষকো ৰে'ল পথ আৰু মূল ষ্টেচনত অতিৰিক্ত নিৰাপত্তাৰক্ষী মোতায়েন কৰিবলৈ কোৱা হৈছে। গুৱাহাটী মহানগৰীত আলফা স্বাধীনে কূটাঘাটমূলক কাৰ্য সংঘটিত কৰিব পাৰে বুলি চোৰাংচোৱা সংস্থাই মহানগৰ  আৰক্ষীক তথ্য দিয়াৰ পাছতে আৰক্ষীৰ শীৰ্ষ বিষয়াসকলে কেইবাখনো বৈঠকৰ আয়োজন কৰি বিষয়টো সন্দৰ্ভত পৰ্যালোচনা কৰিছে। উল্লেখযোগ্য যে কামৰূপ মহানগৰ জিলা প্ৰশাসনে পূৰ্বৰ দৰে এইবাৰো খানাপাৰা পশু চিকিৎসালয় মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে স্বাধীনতা দিৱসৰ আয়োজন কৰিছে। অসম আৰক্ষীত নতুনকৈ অন্তৰ্ভুক্ত হোৱা কেইবাটাও নিৰাপত্তা বাহিনীৰ গোটে স্বাধীনতা দিৱসৰ পেৰেডত অংশগ্ৰহণ বাবে পূৰ্ণ প্ৰস্তুতি চলাইছে।

০০০০০০০

ৰাজ্যত পুনৰ ১০ খন নতুন সমজিলা সংযোজন কৰা হ'ব।  কাইলৈ কামৰূপ, শোণিতপুৰ, যোৰহাট, তিনিচুকীয়া, কাছাৰ আৰু গোৱালপাৰাত সমজিলা সংযোজন কাৰ্যসূচীত কেইবাগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। পৰহিলৈ শোণিতপুৰ আৰু তিনিচুকীয়াত সমজিলা সংযোজনৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ লগে লগে ৰাজ্যত মুঠ সমজিলাৰ সংখ্যা ৪৯ লৈ বৃদ্ধি পাব। বিগত বৰ্ষৰ অক্টোবৰত প্ৰথম পৰ্যায়ত ৩৯ খন সমজিলা সংযোজন কৰা হৈছিল। প্ৰশাসনিক দক্ষতা বৃদ্ধিৰ ক্ষেত্ৰত উল্লেখনীয় পদক্ষেপ হিচাপে গঠন কৰা সমজিলাসমূহে ভূমি, ৰাজহ সম্পৰ্কীয় সেৱা, উন্নয়ন আৰু জনকল্যাণমূলক আঁচনি ৰূপায়ণ প্ৰশাসনিক ক্ষমতা, খাদ্য আৰু অসামৰিক যোগান ব্যৱস্থা নিশ্চিত, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আঁচনিৰ সফল ৰূপায়ণ আৰু দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত জনসাধাৰণক প্ৰয়োজনীয় সুবিধা লাভ কৰাত সহায় কৰিব।

০০০০০০০

ইটানগৰত কালি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থায়ী বিচাৰপীঠৰ নতুন ভৱন মুকলি কৰা হয়। এই ভৱন মুকলি অনুষ্ঠানত অংশগ্ৰহণ কৰি উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বি আৰ গাভায়ে ন্যায় প্ৰদান ব্যৱস্থাক শাসক আৰু ক্ষমতাশালীৰ মাজত আৱদ্ধ নাৰাখি জনতাৰ দৰবাৰলৈ নিব লাগে বুলি মন্তব্য কৰে। মুখ্য ন্যায়াধীশগৰাকীয়ে কয়, যে জনসাধাৰণে সহজে ন্যায় পোৱাটো নিশ্চিত কৰিব লাগিব। অৰুণাচল প্ৰদেশ আৰু উত্তৰ-পূবৰ অন্যান্য ৰাজ্যত ন্যায় প্ৰদানৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ভূমিকাক প্ৰশংসা কৰি তেওঁ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ সকলো মুখ্য ন্যায়াধীশৰ শলাগ লয়। উল্লেখযোগ্য যে ১৩৫ কোটি ৩৫ লাখ টকা ব্যয়েৰে নিৰ্মিত নতুন স্থায়ী ভৱনটোত আধুনিক সা-সুবিধাযুক্ত পাঁচটা আদালত কক্ষৰ ব্যৱস্থা আছে।

0000000

বিশিষ্ট নাট্যকাৰ, অভিনেতা, পৰিচালক, গীতিকাৰ হেমন্ত দত্তৰ আজি কিছু সময়ৰ পূৰ্বে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৩ বছৰ। কেইবাখনো চলচ্চিত্ৰত অভিনয়, শতাধিক নাট আৰু পাঁচ শতাধিক গীত ৰচনাৰে অসমৰ অভিনয় আৰু সাহিত্য জগতত অৱদান আগবঢ়াই যোৱা গীতিকাৰগৰাকীয়ে কেইবাখনো চলচ্চিত্ৰৰ বাবে গীত ৰচনা কৰিছিল। ভ্ৰাম্যমানৰ বাবে ভালেমান নাট ৰচনা আৰু পৰিচালনা কৰা দত্তক ২০১৮-১৯ বৰ্ষৰ ভৱেন্দ্ৰনাথ শইকীয়া বঁটা আৰু ২০১৮ বৰ্ষৰ গুৰুজী আদ্য শৰ্মা বঁটাৰে সন্মানিত কৰা হৈছিল।

0000000

পাৰ্বত্য জিলা পশ্চিম কাৰ্বি আংলঙৰ কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ ১২৮ নম্বৰ বেটেলিয়নৰ ডেল্টা কোম্পানী আৰু লাংপি শিশু বিদ্যা নিকেতনৰ সহযোগত তিৰংগা যাত্ৰা কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাৰ্বত্য জিলাখনৰ লেঙেৰীত অনুষ্ঠিত এই হৰ ঘৰ তিৰংগা কাৰ্যসূচীত তিৰংগা যাত্ৰাৰ উপৰি প্ৰতিটো ঘৰতে জাতীয় পতাকা উৰুৱাই স্বাধীনতাৰ গৌৰৱ অনুভৱ কৰিবৰ বাবে ১২৮ নম্বৰ বেটেলিয়নৰ সহকাৰী সেনাধ্যক্ষ এল শ্বেৰত'ৰে আহ্বান জনাইছে।

0000000

ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ সভাকক্ষত কালি বিষাক্ত আৰু বিষবিহীন সাপ চিনাক্তকৰণ সন্দৰ্ভত এখন কৰ্মশালা অনুষ্ঠিত হয়। মঙলদৈ বন্যপ্ৰাণী সংমণ্ডলৰ উদ্যোগত আৰু আছাম ৱাইল্ড লাইফ ৰেচকিউ এণ্ড ৰিচাৰ্চ অৰ্গেনাইজেচন চমুকৈ এৰ'ৰ কাৰিকৰী সহযোগত এই কৰ্মশালা অনুষ্ঠিত হয়। বিষাক্ত আৰু বিষবিহীন সাপ চিনাক্তকৰণৰ লগতে সাপ আৰু সৰু স্তন্যপ্ৰায়ী বন্যপ্ৰাণী নিৰাপদে উদ্ধাৰ কৰাৰ ক্ষেত্ৰত পালন কৰিবলগীয়া নীতি-কৌশল সম্পৰ্কে বনকৰ্মীসকলক এই কৰ্মশালাত প্ৰয়োজনীয় ব্যৱহাৰিক জ্ঞান প্ৰদান কৰা হয়।

0000000

আজি শাওণ মাহৰ শেষৰটো সোমবাৰ উপলক্ষে ৰাজ্যৰ ঐতিহাসিক শিৱ মন্দিৰসমূহৰ লগতে হোজাই জিলাৰ শ্ৰী শ্ৰী লংকেশ্বৰী থানৰ শিৱ মন্দিৰতো ভক্তিপ্ৰাণ ৰাইজৰ ভিৰ পৰিলক্ষিত হয়। শ্ৰী শ্ৰী লংকেশ্বৰী থানৰ পুৰোহিতগৰাকীয়ে আমাৰ হোজাই জিলাৰ সংবাদদাতাক জনোৱা মতে ১০০ বছৰ পুৰণি এই থানত সোমবাৰ উপলক্ষে আজি পুৱাৰেপৰা বহু দূৰ-দূৰণিৰ লোকে পূজা-অৰ্চনা আগবঢ়াবলৈ ভিৰ কৰিছে।

0000000

**সমাপ্ত**